**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 9-04-2024
**Time :** 1715 Hrs.

***ASSAMESE REGIONAL EVENING BULLETIN***

**::::::::::::::::::::::::::::::::::::::**

প্ৰধানমন্ত্ৰী তথা বিজেপিৰ জ্যেষ্ঠ নেতা নৰেন্দ্ৰ মোদীয়ে কৈছে যে, লক্ষ্য যিমানেই কঠিন নহওক কিয়, এবাৰ ঠিৰাং কৰাৰ পাছত আমাৰ দেশ সেই লক্ষ্যত উপনীত হোৱাটো নিশ্চিত। উত্তৰ প্ৰদেশৰ পিলিভিতৰ এখন নিৰ্বাচনী সভাত ভাষণ দি শ্ৰীমোদীয়ে আজি এইদৰে প্ৰকাশ কৰে। এই অনুপ্ৰেৰণা আৰু শক্তিৰেই বৰ্তমানৰ কেন্দ্ৰীয় চৰকাৰে ভাৰতক এখন উন্নত ৰাষ্ট্ৰৰূপে গঢ়ি তোলাৰ দিশত কাম কৰি আছে বুলি প্ৰধানমন্ত্ৰীয়ে উল্লেখ কৰে। কোনো এখন দেশ শক্তিশালী হ'লে বিশ্বই সেই দেশৰ কথা শুনে বুলিও শ্ৰীমোদীয়ে প্ৰকাশ কৰে। দেশত যুৱ প্ৰজন্মৰ বাবে ন ন কৰ্ম-সংস্থাপনৰ সুযোগ সৃষ্টি হোৱা বুলি তেওঁ লগতে কয়।

০০০০০

প্ৰথম পৰ্যায়ৰ লোকসভা নিৰ্বাচনৰ দিন চমু চাপি অহাৰ লগে লগে ৰাজ্যখনত ভোটদাতাসকলৰ মন জয় কৰাৰ বাবে বিভিন্ন ৰাজনৈতিক দলৰ তাৰকা প্ৰচাৰকসকলৰ আগমণ ঘটিছে। বিজেপিৰ জ্যেষ্ঠ নেতা তথা কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে আজি বিয়লি উত্তৰ লখিমপুৰৰ এখন জনসভাত অংশগ্ৰহণ কৰে। লখিমপুৰ লোকসভা সমষ্টিৰ চুকুলীভৰীয়াত সমষ্টিটোৰ বিজেপি মিত্ৰজোঁটৰ প্ৰাৰ্থী প্ৰদান বৰুৱাৰ সমৰ্থনত এখন জনসভাক সম্বোধন কৰি শ্ৰী শ্বাহে কয় যে, উত্তৰ পূৰ্বাঞ্চলে দেশৰ সফলতাৰ কাহিনী হিচাপে আত্মপ্ৰকাশ কৰিছে। বিগত ১০ বছৰত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত ৯ হাজাৰ ৫০০ ৰো অধিক উগ্ৰপন্থী সদস্য আত্মসমৰ্পণ কৰি সমাজৰ মূলসুঁতিলৈ উভতি আহিছে বুলি তেওঁ মন্তব্য কৰে। অঞ্চলটোৰ নিৰাপত্তা পৰিস্থিতি উন্নত হোৱাৰ পৰিপ্ৰেক্ষিতত সশস্ত্ৰ বাহিনীৰ বিশেষ ক্ষমতা আইন উত্তৰ পূবৰ ৮০ শতাংশ এলেকাৰ পৰা প্ৰত্যাহাৰ কৰা হৈছে বুলিও মন্ত্ৰীগৰাকীয়ে মন্তব্য কৰে। এই কাৰ্যসূচীত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ লগতে ভালেসংখ্যক দলীয় নেতা-কৰ্মী উপস্থিত থাকে।

শ্ৰী শ্বাহে আজি সন্ধিয়া তিনিচুকীয়াৰ চলিহা নগৰৰ পৰা থানা চাৰিআলিলৈ এটা পথযাত্ৰাত অংশ ল'ব। ডিব্ৰুগড় সমষ্টিত বিজেপি মিত্ৰজোঁটৰ প্ৰাৰ্থী তথা কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ হৈ গৃহমন্ত্ৰীগৰাকীয়ে এই প্ৰচাৰ কাৰ্যসূচীত অংশ ল'ব। এই সমষ্টিটোত বিৰোধী ঐক্যমঞ্চৰ প্ৰাৰ্থী লুৰীণজ্যোতি গগৈ আৰু আম আদমী পাৰ্টিৰ প্ৰাৰ্থী মনোজ ধানোৱাৰে প্ৰতিদ্বন্দ্বিতা আগবঢ়াব।

ইপিনে আম আদমী পাৰ্টিৰ নেত্ৰী আতিশীয়ে কালি দুলিয়াজানত দলীয় প্ৰাৰ্থীৰ হকে প্ৰচাৰ চলায় । নেত্ৰীগৰাকীয়ে আজি তিনিচুকীয়াত আৰু কাইলৈ তেজপুৰত দলীয় প্ৰাৰ্থী মনোজ ধানোৱাৰ আৰু ঋষিৰাজ কৌণ্ডিন্যৰ হৈ প্ৰচাৰ চলোৱাৰ কথা।

কংগ্ৰেছ দলৰ যোৰহাট সমষ্টিৰ প্ৰাৰ্থী গৌৰৱ গগৈৰ সমৰ্থনত ব্যাপক প্ৰচাৰ অব্যাহত আছে। ইপিনে, সমষ্টিটোৰ বিজেপি মিত্ৰজোঁটৰ প্ৰাৰ্থী তপন কুমাৰ গগৈৰ হৈ আজি মন্ত্ৰী অজন্তা নেওগে শিৱসাগৰত চাৰিখন নিৰ্বাচনী সভাত অংশগ্ৰহণ কৰে। আনহাতে, ধুবুৰী লোকসভা সমষ্টিৰ কংগ্ৰেছ দলৰ প্ৰাৰ্থী ৰকিবুল হুছেইনে আজি বৰপেটা জিলাৰ বিভিন্ন স্থানত প্ৰচাৰ চলায়। উল্লেখযোগ্য যে, সমষ্টি পুনৰনিৰ্ধাৰণ ফলত বৰপেটা জিলাৰ

মন্দিয়া আৰু চেঙা বিধানসভা সমষ্টি ধুবুৰী লোকসভা সমষ্টিৰ অন্তৰ্গত হৈছে। ৰাজ্যখনত প্ৰথম পৰ্যায়ৰ লোকসভা নিৰ্বাচনত ভোটগ্ৰহণ হ'বলগীয়া ৫টা সংসদীয় সমষ্টিৰ বাবে মুঠ ৩৫ গৰাকী প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতা আগবঢ়াইছে।

ooooo

নিৰ্বাচন আয়োগে কৈছে যে, দেশৰ ১৩ খন ৰাজ্য আৰু কেন্দ্ৰীয়শাসিত অঞ্চলৰ ৮৮ টা সমষ্টি সামৰি হ'বলগীয়া দ্বিতীয় পৰ্য্যায়ৰ লোকসভা নিৰ্বাচনৰ বাবে এহেজাৰ ২১০ গৰাকী প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতা আগবঢ়োৱাটো নিশ্চিত হৈছে। এই সমষ্টিকেইটাৰ বাবে মুঠ দুহেজাৰ ৬৩৩ খন মনোনয়ন পত্ৰ দাখিল কৰা হৈছিল। পৰীক্ষাৰ অন্তত এহেজাৰ ৪২৮ গৰাকী প্ৰাৰ্থীৰ মনোনয়ন বৈধ বিবেচিত হৈছিল। দ্বিতীয় পৰ্য্যায়ৰ বাবে কালি মনোনয়ন পত্ৰ প্ৰত্যাহাৰৰ অন্তিম দিন আছিল। দ্বিতীয় পৰ্য্যায়ৰ বাবে ২৬ এপ্ৰিলত ভোটগ্ৰহণ কৰা হ'ব। দ্বিতীয় পৰ্য্যায়ত কেৰালাৰ ২০ টা সংসদীয় সমষ্টিৰ বাবে সৰ্বাধিক ৫০০ আৰু কৰ্ণাটকৰ ১৪ টা সমষ্টিৰ বাবে ৪৯১ গৰাকী প্ৰাৰ্থীয়ে মনোনয়ন দাখিল কৰিছে।

ooooo

আসন্ন লোকসভা নিৰ্বাচন উপলক্ষে চৰাইদেউ নিৰ্বাচনী জিলাৰ প্ৰণালীবদ্ধ ভোটাৰ শিক্ষা আৰু নিৰ্বাচনী অংশগ্ৰহণ ছুইপ কোষৰ উদ্যোগত কালি জিলা আয়ুক্তৰ কাৰ্যালয়ত দিব্যাংগ ব্যক্তিসকলৰ সুবিধাৰ্থে ভাৰতীয় নিৰ্বাচন আয়োগে মুকলি কৰা **সক্ষম এপ**ৰ সন্দৰ্ভত এটি প্ৰশিক্ষণ কাৰ্যসূচী ৰূপায়ণ কৰা হয়। এই কাৰ্যসূচীত উপস্থিত থাকি অতিৰিক্ত জিলা আয়ুক্ত শ্ৰাৱনা সোণোৱালে কয় যে দিব্যাংগ ব্যক্তি আৰু ৮৫ বছৰ বয়সৰ উৰ্ধৰ ভোটদাতাসকলৰ বাবে নিৰ্বাচন আয়োগে **সক্ষম এপ**ৰ জৰিয়তে বিভিন্ন সুবিধা প্ৰদান কৰাৰ ব্যৱস্থা কৰিছে। নিজৰ ভোটাধিকাৰ সাব্যস্ত কৰিবলৈ যাওতে তেওঁলোক যাতে কোনো অসুবিধাৰ সন্মুখীন হ'বলগীয়া নহয়, তাৰ বাবে নিজৰ ম'বাইল ফোনতে উপলব্ধ **সক্ষম এপ**ৰ জৰিয়তে আবেদন কৰিব পাৰিব।

আনহাতে ছুইপ কোষৰ উদ্যোগত জিলাখনত যোৱা ৬ এপ্ৰিলৰ পৰা এলানি বিশেষ প্ৰচাৰ কাৰ্যসূচীৰ জৰিয়তে চাহ বাগিচা অঞ্চল তথা নতুন ভোটদাতা সকলৰ মাজত ভোটদান সন্দৰ্ভত সজাগ বৃদ্ধিৰ বাবে বিভিন্ন কাৰ্যসূচী ৰূপায়ণ কৰা হৈছে। আজি অসম ৰাজ্যিক গ্ৰামীন জীৱিকা অভিযানৰ অন্তৰ্গত জীৱিকা সখী আৰু কৃষি সখীসকলে ভোটাৰ ৰাইজৰ মাজত সজাগতা বৃদ্ধিৰ উদ্দেশ্যে মটৰ চাইকেল ৰেলীৰ আয়োজন কৰে।

ooooo

ঃসমাপ্তঃ